# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-12-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অসম গ্ৰন্থমেলা-২০২৪ অনুষ্ঠিত হ'ব। আজি খানাপাৰাৰ অসম গ্ৰন্থমেলাৰ অস্থায়ী কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই কথা প্ৰকাশ কৰে।

কাইলৈ বিয়লি ৩ বজাত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে সন্মানীয় সভাপতিৰূপে অংশগ্ৰহণ কৰিব। সভাখনত দিল্লীৰ বিশিষ্ট সাংবাদিক, ইতিহাসবিদ, লেখক হিন্দল সেনগুপ্ত, বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ ধ্ৰুৱজ্যোতি বৰা, ভাৰতীয় প্ৰকাশক আৰু পুথি বিক্ৰেতা সংস্থাৰ সভাপতি সুৰিন্দৰ কুমাৰ ঘাইয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব। এইবাৰ গ্ৰন্থমেলাৰ বিভিন্ন দিনৰ কাৰ্যসূচীত কলকাতাৰ বিশিষ্ট লেখক বিনোদ ঘোষাল, সংস্কৃত আৰু হিন্দী সাহিত্যৰ বিশিষ্ট কথাশিল্পী বলদেৱানন্দ সাগৰ, চলচ্চিত্ৰ পৰিচালক মনোজ শ্ৰীবাস্তৱ, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ সচিব সচিদানন্দ যোশীয়ে বিশিষ্ট অতিথি হিচাপে ভাগ ল'ব। বছৰৰ শেষ দিনটোত গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব। ৫ জানুৱাৰীত গ্ৰন্থমেলাৰ বাকৰিত অনুষ্ঠিত হ'ব শিশুৰ দিন।

ooooo

বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিলৈ এই বছৰৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে। 'ধাৰ আৰু অন্যান্য গল্প' পুথিৰ বাবে ঠংছিয়ে এই বঁটা লাভ কৰিছে। আজি অসম গ্ৰন্থমেলাৰ অস্থায়ী কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাৰ উপস্থিতিত উপাধ্যক্ষ সুমন্ত চলিহাই এই কথা ঘোষণা কৰে।

অহা ৩১ ডিচেম্বৰত অসম গ্ৰন্থমেলাৰ বাকৰিত শ্ৰী ঠংছিক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। এই বঁটাত আছে – এখন প্ৰশস্তি পত্ৰ, অংগবস্ত্ৰ, স্মাৰক, কিতাপৰ টোপোলা আৰু নগদ ৫ লাখ টকা। ইয়াৰ উপৰি গ্ৰন্থখনৰ প্ৰকাশক বনলতাই এই বঁটাৰ বাবদ নগদ ৩ লাখ টকা পুৰস্কাৰ হিচাপে লাভ কৰিব।

ooooo

তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ দ্বাবিংশ সমাৱৰ্তন উৎসৱ কাইলৈ অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় বিদ্যালয় পৰিসৰত দিনৰ ১০ বজাৰ পৰা হ'বলগীয়া এই সমাৱৰ্তনত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অধ্যক্ষ, অধ্যাপক

এম জগদেশ কুমাৰে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ সভাপতিত্বত হ'বলগীয়া এই সমাৰৰ্তনত বিশ্ববিদ্যালয়ৰ পৰা ডিপ্ল'মা লাভ কৰা ১৪ গৰাকী, স্নাতক ডিগ্ৰী লাভ কৰা ৪২৮ গৰাকী, স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ৭৩৯ গৰাকী আৰু পি এইচ ডি ডিগ্ৰী লাভ কৰা ১৩১ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হ'ব। ইয়াৰ লগতে বিভিন্ন পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা ৪৯ গৰাকী শিক্ষাৰ্থীক সোণৰ পদকেৰে সন্মানিত কৰা হ'ব।

ooooo

ধেমাজি জিলাৰ জিয়াঢল অঞ্চলত বন জুইৰ ফলত বন বিভাগে নতুনকৈ গছপুলি ৰোপণ কৰা প্ৰায় ১৩০ হেক্টৰ বনাঞ্চল ভস্মীভূত হৈছে। ইতিমধ্যে বনাঞ্চলখনৰ বিভিন্ন অংশলৈ বন জুই বিয়পি পৰা বুলি জানিব পৰা গৈছে। শীতকালত শুকান আৰু খৰাং বতৰৰ বাবে বনাঞ্চলসমূহৰ গছ-গছনিৰ পাত সৰি যোৱাৰ লগতে মাটিৰ আৰ্দ্ৰতাও নোহোৱা হয়। এনেক্ষেত্ৰত সামান্যভাৱে জুইৰ সংস্পৰ্শলৈ আহিলেই বন জুইৰ সম্ভাৱনা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি বন বিভাগে জনসাধাৰণক এইক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনাইছে।

ooooo

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ভূমি-ৰাজহ সংগ্ৰহ ব্যৱস্থা অধিক স্বচ্ছ, কাৰ্যকৰী আৰু সুগম কৰাৰ লক্ষ্যৰে অনলাইন আৰু অফলাইন মাধ্যমেৰে খাজনা পৰিশোধৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি পট্টাদাৰসকলে অনলাইন ই-খাজনাৰ যোগে বা অফলাইন মৌজাদাৰৰ পৰা সংগ্ৰহ কৰা চি এফ আৰৰ জৰিয়তে ভূমি ৰাজহ আদায় দিব পাৰিব। এই অনলাইন ব্যৱস্থাই কৰ্মসূত্ৰে বা বিভিন্ন কাৰণত বাহিৰত থকা পট্টাদাৰসকলক ভূমি ৰাজহ আদায় দিয়াৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা কৰা হৈছে। সকলো জিলাৰ মৌজাদাৰ বা তহচিলদাৰৰ কাৰ্যালয়ত এই সুবিধা থাকিব।

ooooo

গোলাঘাট জিলাত হাতী-মানুহৰ সংঘাত ৰোধ কৰিবৰ বাবে খুমটাইৰ এদল যুৱকে বিশেষ উদ্যোগ হাতত লৈছে। পল্লৱ গগৈ নামৰ আদৰ্শ কৃষকগৰাকীৰ নেতৃত্বত যুৱকৰ দলটোৱে গাঁওবাসীৰ ঘৰে ঘৰে গৈ কলগছ, ঔটেঙা, ধান আদি সংগ্ৰহ কৰি বন্যহস্তীৰ বাবে খাদ্যৰ যোগান ধৰিছে। জিলাখনৰ বন সংমণ্ডলে বন্যপ্ৰাণীৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকক সহজে ক্ষতিপূৰণ প্ৰদানৰ উদ্দেশ্যে ব্যতিক্ৰমী প্ৰচেষ্টা হাতত লৈছে। ইয়াৰ অংশ হিচাপে ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে মুকলি আবেদন গ্ৰহণৰ ব্যৱস্থা কৰিছে।

ooooo

গুৱাহাটী মহানগৰীৰ দিছপুৰৰ নাহৰণি পথত আজি ব্যৰ্থ প্ৰেমিকৰ ছুৰীৰ আঘাতত এগৰাকী বিবাহিতা মহিলাৰ মৃত্যু হয়। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে আজি দুপৰীয়া ভূপেন দাস নামৰ বৃত্তিত টেক্সী চালকএগৰাকীয়ে দিছপুৰৰ লাষ্টগে'টৰ সমীপৰ নাহৰণি পথত এগৰাকী বিবাহিতা মহিলাক ছুৰীৰে ডিঙি আৰু পেটত আক্ৰমণ কৰে। মহিলাগৰাকীয়ে হাততো ছুৰীৰ আঘাত পায়। গুৰুতৰভাৱে আহত মহিলাগৰাকীক স্থানীয় লোকৰ সহায়ত আৰক্ষীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰায় যদিও হাস্পতালতে তেওঁৰ মৃত্যু হয়। এই ঘটনা সংঘটিত কৰি ভূপেন দাস নামৰ অভিযুক্তজনে আত্মহত্যাৰ চেষ্টা চলাই যদিও আৰক্ষীয়ে

তেওঁক কৰায়ত্ব কৰে। বিবাহিত ভূপেন দাসে বিবাহিতা মহিলাগৰাকীক প্ৰেমৰ প্ৰস্তাৱ দিছিল যদিও এই প্ৰস্তাৱ তেওঁ প্ৰত্যাখ্যান কৰাত ভূপেনে এই চৰম পন্থা গ্ৰহণ কৰে বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। মৃত মহিলাগৰাকীৰ ঘৰ ডিব্ৰুগড় জিলাৰ টিংখঙত বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

সমাপ্ত